# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 28-05-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটিয়ে ২০২৫-২৬ বৰ্ষৰ বাবে খাৰিফ শস্যৰ ন্যূনতম সমৰ্থিত মূল্য বৃদ্ধিত অনুমোদন জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে চিকিম, পশ্চিমবংগ, বিহাৰ, আৰু উত্তৰ প্ৰদেশ ভ্ৰমণলৈ ৰাওনা হ'ব।

৩। দেশত কাইলৈ বিকশিত কৃষি সংকল্প অভিযান কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত ওড়িশাৰ পুৰীৰ পৰা আৰম্ভ কৰা হ'ব।

৪। আৰ্জেণ্টিনাৰ ৰোচাৰিঅ'ত অনুষ্ঠিত ৪ দেশীয় হকী প্ৰতিযোগিতাৰ তৃতীয়খন খেলত ভাৰতীয় জুনিয়ৰ মহিলা হকী দলটোৱে আৰ্জেণ্টিনাক ২-০ গলত পৰাস্ত কৰে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ প্ৰথমখন কোৱালিফায়াৰ খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, পঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটিয়ে ২০২৫-২৬ বৰ্ষৰ বাবে খাৰিফ শস্যৰ ন্যূনতম সমৰ্থিত মূল্য বৃদ্ধিৰ অনুমোদন জনাইছে। কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ উচিত মূল্য লাভৰ নিশ্চিতি প্ৰদান কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই মূল্য বৃদ্ধি কৰাৰ কথা আজি নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে। এই ক্ষেত্ৰত মন্ত্ৰীগৰাকীয়ে ক'লা চাউলৰ বাবে প্ৰতি কুইণ্টলত সৰ্বাধিক ৪২০ টকা, ৰাগীত ৫৯৬ টকা, কপাহত ৫৮৯ টকা আৰু তিলত ৫৭৯ টকা ধাৰ্য কৰাৰ পৰামৰ্শ প্ৰদান কৰে।

কেবিনেটে মহাৰাষ্ট্ৰ আৰু মধ্য প্ৰদেশৰ বাবে ৩ হাজাৰ ৩৯৯ কোটি টকা ব্যয় সাপেক্ষ ভাৰতীয় ৰেলৱেৰ দুটা ৰেলপথক দুশৰীয়া কৰাৰ প্ৰকল্পটো অনুমোদন জনায়। এই পদক্ষেপসমূহে ভ্ৰমণৰ সময় হ্ৰাস কৰাৰ লগতে লজিষ্টিক ব্যয় তথা তেলৰ আমদানি হ্ৰাস কৰিব আৰু কাৰ্বন ডাই অক্সাইড নিৰ্গমন হ্ৰাস হোৱাতো অৰিহণা যোগাব।

অৰ্থনৈতিক পৰিক্ৰমা মন্ত্ৰালয়ে অন্ধ্ৰপ্ৰদেশৰ ৬৭ নং ৰাষ্ট্ৰীয় ঘাইপথত চাৰি লেনযুক্ত বডভেল নেল'ৰ কৰিড'ৰ নিৰ্মাণটো অনুমোদন জনাইছে। এই কৰিডৰে অন্ধ্ৰপ্ৰদেশৰ ৩ টা গুৰুত্বপূৰ্ণ ন'ড-বিশাখাপট্টনম-চেন্নাই উদ্যোগিক কৰিডৰৰ কপাৰ্থি ন'ড, হায়দৰাবাদ-বেংগালুৰু উদ্যোগিক কৰিডৰৰ অ'ৰভাকাল ন'ড, চেন্নাই-বেংগালুৰুৰ উদ্যোগিক কৰিড'ৰৰ কৃষ্ণাপটনাম ন'ডলৈ সংযোগ প্ৰদান কৰিব।

কেবিনেটে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে পৰিৱৰ্তিত সূদ সাহায্য আঁচনিৰ অধীনত সূদ সাহায্যত আই এছ উপাদান অব্যাহত ৰখাৰ ক্ষেত্ৰতো অনুমোদন জনোৱাৰ লগতে প্ৰয়োজনীয় পুঁজি ব্যৱস্থাপনাত অনুমোদন জনাইছে।

পূৰ্বতে কৃষকসকলে কিষাণ ক্ৰেডিট কাৰ্ডৰ জৰিয়তে ৭ শতাংশ ৰাজ সাহায্যযুক্ত সূদৰ হাৰত ৩ লাখ পৰ্যন্ত হ্ৰস্বম্যাদি ঋণ লাভ কৰিছিল। তৎকালিনভাবে ঋণ পৰিশোধ কৰা কৃষকসকলক ঋণ পৰিশোধৰ হাৰ ৩ শতাংশ হ্ৰাস কৰি ৪ শতাংশ হাৰত ঋণ পৰিশোধ কৰাৰ সুযোগ প্ৰদান কৰা হ'ব। কেৰল পশু পালন আৰু মীন পালনৰ বাবে কৃষকসকলে ২ লাখ টকা পৰ্যন্ত ঋণ লাভ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে চিকিম, পশ্চিমবংগ, বিহাৰ, আৰু উত্তৰ প্ৰদেশ ভ্ৰমণলৈ ৰাওনা হ'ব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে ৭০ হাজাৰ কোটি টকাতকৈও অধিক ব্যয়সাপেক্ষ কেইবাটাও বহুমুখী উন্নয়নমুলক প্ৰকল্পৰ শিলান্যাস কৰাৰ লগতে কেইবাটাও প্ৰকল্প উদ্বোধন কৰি ৰাষ্ট্ৰৰ নামত উচৰ্গা কৰিব।

চিকিমত প্ৰধানমন্ত্ৰীগৰাকীয়ে Sikkim@50 অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তেওঁ ৰাজ্যখনৰ বহুমুখী উন্নয়নমূলক প্ৰকল্পৰ শিলান্যাস কৰাৰ লগতে উন্মোচনো কৰিব। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে চিকিমত এখন জনসভাতো ভাষণ দিব। এই প্ৰকল্পসমূহৰ ভিতৰত চিকিমৰ নামাজি জিলাত স্থাপন কৰা ৭৫০ কোটি টকা ব্যয় সাপেক্ষ ৫০০ বিচনাযুক্ত নতুন জিলা হাস্পতাল, চাংগাচোৰেলিঙত নিৰ্মিত এটা ৰজ্জুপথ, চাংখুলাৰ অটল অমৃত উদ্যানত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ প্ৰতিমুৰ্তি অন্যতম। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে চিকিম ৰাজ্যৰ ৫০ সংখ্যক প্ৰতিষ্ঠা বৰ্ষ উপলক্ষে স্মাৰক মুদ্ৰা আৰু ডাক টিকট মুকলি কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে পশ্চিমবংগ ভ্ৰমণলৈ যাব। তাত তেওঁ আলিপুৰ দুৱাৰৰ কোচবেহাৰ জিলাত নগৰ গেছ বিতৰণ প্ৰকল্পৰ শিলান্যাস কৰিব। এই প্ৰকল্পটো এহেজাৰ ১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হ'ব। পৰৱৰ্তী সময়ত প্ৰধানমন্ত্ৰীগৰাকীয়ে বিহাৰ ভ্ৰমণলৈ যাব আৰু তাত তেওঁ পাটনা বিমান বন্দৰত নতুন টাৰ্মিনেল ভৱন উদ্বোধন কৰিব।

পৰহিলৈ শ্ৰীমোদীয়ে বিহাৰৰ কাৰাকটত ৪০ হাজাৰ ৫২০ কোটি টকা ব্যয় সাপেক্ষে বহুমুখী উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে ৰাষ্ট্ৰৰ নামত উচৰ্গা কৰিব। তেওঁ তাত এখন জনসভাতো অংশগ্ৰহণ কৰিব। উত্তৰ প্ৰদেশৰ কানপুৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০ হাজাৰ ৯০০ কোটি টকা ব্যয় সাপেক্ষ বহুমুখী উন্নয়নমুলক প্ৰকল্পৰ শিলান্যাস কৰাৰ লগতে উদ্বোধনো কৰিব। উত্তৰ প্ৰদেশত শ্ৰীমোদীয়ে এখন জনসভাতো অংশগ্ৰহণ কৰাৰ কথা।

০০০০০

দেশত কাইলৈ বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত ওড়িশাৰ পুৰীৰ পৰা এই অভিযান আৰম্ভ কৰা হ'ব। অহা ১২ জুনলৈ চলিবলগীয়া এই অভিযানত সমগ্ৰ দেশৰ ৭০০ৰো অধিক জিলা সামৰি লোৱা হ'ব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে এই ১৫ দিনীয়া অভিযানৰ সময়ত শ্ৰীচৌহানে কমেও ২০খন ৰাজ্য ভ্ৰমণ কৰি কৃষক আৰু বিজ্ঞানীসকলক উৎসাহিত কৰাৰ উপৰি তেওঁলোকৰ সৈতে প্ৰত্যক্ষ আলোচনাত মিলিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভ্ৰমণ কৰিবলগীয়া ৰাজ্যকেইখন হৈছে অসম, মেঘালয়, কৰ্ণাটক, তামিলনাডু, তেলেংগানা, অন্ধ্ৰ প্ৰদেশ, বিহাৰ, ছত্তিশগড়, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, দিল্লী, হাৰিয়ানা, পঞ্জাব, মহাৰাষ্ট্ৰ, জম্মু, ৰাজস্থান আৰু গুজৰাট। এই অভিযানৰ জৰিয়তে বিভিন্ন প্ৰান্তত হোৱা খাৰিফ শস্যৰ বাবে অত্যাধুনিক প্ৰযুক্তি বিষয়ে কৃষকসকলক অৱগত কৰোৱা আৰু চৰকাৰৰ কৃষি আঁচনি তথা নীতিসমূহৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই অভিযানৰ অধীনত বিভিন্ন গোটে কৃষকসকলক শস্য নিৰ্ধাৰণ আৰু নিৰ্দিষ্ট পৰিমাণৰ সাৰ ব্যৱহাৰৰ বাবে ভূমি স্বাস্থ্য

পত্ৰৰ ব্যৱহাৰৰ বিষয়ে অৱগত কৰাৰ উপৰি কৃষক আধাৰিত উদ্ভাৱন আৰু গৱেষণাৰ ক্ষেত্ৰত তেওঁলোকৰ মতামত সংগ্ৰহ কৰিব।

OOOOO

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত হ'বলগীয়া সাহিত্য সন্মিলন উদ্বোধন কৰিব। দুদিনীয়া কবি সন্মিলন, ভাৰতীয় মহিলা সাহিত্যিকৰ সন্মিলন আদিকে ধৰি কেইবাটাও সত্ৰ অনুষ্ঠিত হ'ব। সাহিত্য একাডেমীৰ সহযোগত ৰাষ্ট্ৰপতি ভৱনে এদিনীয়া সন্মিলন অনুষ্ঠিত কৰিব। সন্মিলনত উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱাটৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ সাহিত্যিকে অংশ গ্ৰহণ কৰিব।

OOOOO

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ উত্তৰ পূৰ্বাঞ্চল সন্দৰ্ভত লিখা এটা লেখা শ্বেয়াৰ কৰিছে। শ্ৰীসিন্ধিয়াই উত্তৰ পূৰ্বাঞ্চলক কিদৰে দক্ষিণ-পূব এছিয়াৰ বাণিজ্য, যোগাযোগৰ কেন্দ্ৰলৈ পৰিৱৰ্তিত কৰিব পাৰি সেই সন্দৰ্ভত আলোকপাত কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে উত্তৰ পূৰ্বাঞ্চল দীৰ্ঘদিনলৈ প্ৰান্তীয় অঞ্চল হৈ নাথাকে। এই অঞ্চলটো অতি শীঘ্ৰে সন্মুখলৈ অগ্ৰসৰ হ'ব।

OOOOO

আৰ্জেণ্টিনাৰ ৰোচাৰিঅ'ত অনুষ্ঠিত ৪ দেশীয় হকী প্ৰতিযোগিতাৰ তৃতীয়খন খেলত ভাৰতীয় জুনিয়ৰ মহিলা হকী দলটোৱে আৰ্জেণ্টিনাক ২-০ গলত পৰাস্ত কৰে। নিৰ্ধাৰিত সময়ত খেলখন ১-১ গলত দ্ৰ হোৱাত পেনাল্টি শ্বুট আউটৰ সহায়ত দিয়া গলেৰে ভাৰতীয় দলটোৱে জয় লাভ কৰে। আৰ্জেণ্টিনাই নিৰ্ধাৰিত সময়ৰ প্ৰথম ১৫ মিনিটত মিলাগ্ৰছ দেলভালেৰ গলেৰে সুন্দৰ আৰম্ভণি কৰে। ভাৰতে তৃতীয় ১৫ মিনিটত গল দি সমতা স্থাপন কৰে। পিছত পেনাল্টি শ্বুট আউটৰ সহায়ত ভাৰতৰ লাল ৰিনপুই আৰু লালথান্তলুৱাংগিৰ গলেৰে ভাৰতে বিজয় সাব্যস্ত কৰে। পৰহিলৈ হ'বলগীয়া খেলত ভাৰত-চিলিৰ মুখামুখি হ'ব।

OOOOO

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ প্ৰথমখন কোৱালিফায়াৰ খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু, পঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনত জয়লাভ কৰা দলটোৱে পোনে পোনে ফাইনেলত প্ৰৱেশ কৰিব। পৰাজিত দলটোৱে ফাইনেলত স্থান নিশ্চিত কৰাৰ আৰু এটা সুযোগ লাভ কৰিব।

প্ৰতিযোগিতাৰ পইণ্ট তালিকাত তৃতীয় স্থানত থকা গুজৰাট টাইটানছ অহা শুকুৰবাৰে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে এলিমিনেটৰ খেলাত অৱতীৰ্ণ হ'ব। এই খেলখনত জয়লাভ কৰা দলটো দ্বিতীয়খন কোৱালিফায়াৰত প্ৰথমখন কোৱালিফায়াৰত পৰাজিত দলটোৰ সন্মুখীন হ'ব।

OOOOO

ভাৰতৰ সত্তিক সাইৰাজ ৰনকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটোৱে আজি ছিংগাপুৰ অপেন চুপাৰ 750 বেডমিণ্টন প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। এই যুটীটোৱে প্ৰথম ৰাউণ্ডত মালয়েছিয়াৰ চুং হোন জিয়ান আৰু মহম্মদ হাইকলক ২১-১৬, ২১-১৩ ৰ ব্যৱধানত পৰাস্ত কৰে। বিশ্ব ৰেংকিঙৰ ৪১ সংখ্যক স্থানত থকা মালয়েছিয়াৰ এই যুটীক সত্তিক আৰু চিৰাগৰ যুটীয়ে দ্বিতীয়বাৰৰ বাবে পৰাস্ত কৰে। পুৰুষৰ ছিংগলছত লক্ষ্য সেন চীনৰ লিন চুন য়িৰ হাতত পৰাস্ত হয়। মিক্সড ডাবলছ শাখাত ৰোহন কাপুৰ আৰু ৰুথিকা শিৱানী গদ্দেৰ যুটীয়ে

আমেৰিকাৰ চেন ঝি য়ি আৰু ফ্ৰান্সিস্কা কৰ্বেটৰ যুটীক ২১-১৬, ২১-১৯ ৰ ব্যৱধানত পৰাস্ত কৰি প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইপিনে, আকৰ্ষি কাশ্যপে চীনৰ হান  য়ুৰ হাতত ২১-১৭, ১৩-২১, ৭-২১ ৰ ব্যৱধানত পৰাজিত হয়।

ooooo

ঃঃ সমাপ্ত ঃঃ